# দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

আগষ্ট 23, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 23 আগষ্ট 2023 ত 15 তম ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ আঁৰত জোহান্সবাৰ্গত দক্ষিণ আফ্ৰিকা গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰী চাইৰিল ৰামাফোছাক সাক্ষাৎ কৰে।

2. দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্বন্ধত হোৱা অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু প্ৰতিৰক্ষা, কৃষি, বাণিজ্য আৰু বিনিয়োগ, স্বাস্থ্য, সংৰক্ষণ আৰু জনসাধাৰণৰ সম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ ওপৰত সন্তুষ্টি প্ৰকাশ কৰে।

3. দুয়োপক্ষই বহুপক্ষীয় সংস্থাসমূহত সমন্বয় অব্যাহত ৰখা আৰু পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বহুপক্ষীয় বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰে। ৰাষ্ট্ৰপতি ৰামাফোছাই ভাৰতৰ G20 ৰ অধ্যক্ষতাৰ বাবে সম্পূৰ্ণ সমৰ্থন প্ৰকাশ ব্যক্ত কৰে আৰু আফ্ৰিকান ইউনিয়নক G-20 ৰ সম্পূৰ্ণ সদস্যপদ প্ৰদান কৰাৰ বাবে ভাৰতৰ পদক্ষেপৰ শলাগ লয়। তেওঁ কয় যে G-20 শীৰ্ষ সন্মিলনৰ বাবে নতুন দিল্লীৰ ভ্ৰমণৰ বাবে তেওঁ আগ্ৰহী।

4. প্ৰধানমন্ত্ৰীয়ে ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সফল আয়োজনৰ বাবে ৰাষ্ট্ৰপতি ৰামাফোছাক অভিনন্দন জনায়। প্ৰধানমন্ত্ৰীয়ে পাৰস্পৰিক সুবিধাজনক তাৰিখত দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰীয় ভ্ৰমণৰ বাবে ৰাষ্ট্ৰপতি ৰামাফোছাৰ নিমন্ত্ৰণ গ্ৰহণ কৰে।

**জোহান্সবাৰ্গ**
**আগষ্ট 23, 2023**